## নিজৰ পৰমাণু অস্ত্ৰক 'ন্যায়ৰ তৰোৱাল' আখ্যা উত্তৰ কোৰিয়াৰ



**মস্কো, ১২ অক্টোবৰ ঃ** উত্তৰ কোৰিয়াই অব্যাহত ৰখা নিজৰ মিছাইল আৰু পৰমাণু কাৰ্যসূচীয়ে সাম্প্ৰতিক সময়ত আমেৰিকাকে ধৰি বিশ্বৰ কেইবাখনো ৰাষ্ট্ৰৰ চকুৰ টোপনি কাঢ়ি নিছে। আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বিভিন্ন হেঁচা সত্ত্বেও উত্তৰ কোৰিয়াই নিজৰ পৰমাণু আৰু মিছাইল কাৰ্যসূচী অব্যাহত ৰাখিছে আৰু নিতৌ নতুন নতুন পৰমাণু পৰীক্ষণ সম্পন্ন কৰিছে। ইয়াৰ মাজতে উত্তৰ কোৰিয়াৰ বিদেশমন্ত্ৰীয়ে আগবঢ়োৱা মন্তব্য পোহৰলৈ আহিছে আৰু অনাগত সময়ত ইয়াৰ বাবে তীব্ৰ সমালোচনা হোৱাৰ সম্ভাৱনা আছে। এইক্ষেত্ৰত ৰাছিয়াৰ চৰকাৰী বাতৰি এজেন্সীৰ মতে উত্তৰ কোৰিয়াৰ বিদেশমন্ত্ৰী ৰিয়াং হুৱে পিয়ং ইয়াং প্ৰশাসনৰ পৰমাণু কাৰ্যসূচীক 'ন্যায়ৰ তৰোৱাল' হিচাপে আখ্যা দিছে। এজেন্সীৰ মতে উত্তৰ কোৰিয়াৰ বিদেশমন্ত্ৰীগৰাকীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বিগত ছেপ্টেম্বৰত ৰাষ্ট্ৰসংঘৰ মজিয়াত উত্তৰ কোৰিয়াৰ বিৰুদ্ধে আগবঢ়োৱা মন্তব্যক লৈ এইদৰে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে উক্ত ভাষণত ড'নাল্ড ট্ৰাম্পে উত্তৰ কোৰিয়াক সম্পূৰ্ণৰূপে ধ্বংস কৰি পৃথিৱীৰ বুকুৰ পৰা নোহোৱা কৰিব বুলি ভাবুকি দিছিল। শেহতীয়াকৈ উত্তৰ কোৰিয়াৰ বিদেশমন্ত্ৰীগৰাকীয়ে ট্ৰাম্পৰ বিৰুদ্ধে অভিযোগ কৰিছে যে ৰাষ্ট্ৰসংঘৰ মাজমজিয়াত ড'নাল্ড ট্ৰাম্পে এনেদৰে উল্লেখ কৰি উত্তৰ কোৰিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। তদুপৰি তেওঁ কয় যে উত্তৰ কোৰিয়াই আমেৰিকাৰ পৰমাণু আক্ৰমণৰ পৰা বাচি থাকিবলৈ নিজৰ এই পদক্ষেপ লৈছে। তদুপৰি উত্তৰ কোৰিয়াৰ সামৰিক শক্তি যথেষ্ট শক্তিশালী আৰু এই শক্তিয়ে আমেৰিকাৰ দৰে শত্ৰুৰ দেশক শান্তি নিদিয়াকৈ শান্ত নহয় বুলি জানিবলৈ দিয়ে। তদুপৰি দেশখনৰ সাধাৰণ জনতা আৰু সেনাই পিয়ং ইয়াং প্ৰশাসনৰ ওপৰত আমেৰিকাৰ সৈতে কথা-বাৰ্তাৰ পৰিৱৰ্তে অস্ত্ৰৰে মোকাবিলা কৰিবলৈ দাবী জনাই আহিছে বুলি জানিবলৈ দিয়ে।

## ভিয়েটনামত বৃহৎ ভূমিস্খলনৰ ফলত নিহত ৩৭

### ১৭ হাজাৰ লোকক নিৰাপদ স্থানলৈ প্ৰেৰণ



**হানয়, ১২ অক্টোবৰ ঃ** ভিয়েটনামৰ উত্তৰ আৰু মধ্য প্ৰান্তত প্ৰবল ঘূৰ্ণিবতাহৰ ফলত সৃষ্টি হোৱা বানপানীৰ ফলত বিগত কেইবা দিনত ৩৭জন লোক নিহত হোৱাৰ বিপৰীতে আন ৪০জন লোক বৰ্তমানো সন্ধানহীন হৈ আছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগকালীন বিভাগে আজি এই বিষয়ে সদৰী কৰি কৈছে যে দেশখনত অব্যাহত থকা প্ৰবল বৰষুণৰ বাবে ভূমিস্খলন আৰু বানপানীৰ ফলত এইসকল লোক মৃত্যুমুখত পৰিছে। অব্যাহত থকা প্ৰবল বৰষুণৰ বাবে দেশখনৰ কেইবাটাও বৃহৎ জলবিদ্যুৎ প্ৰকল্প পানীৰে ভৰি পৰাৰ ফলত উক্ত প্ৰকল্পৰ বান্ধ খুলি দিয়াৰ বাহিৰে আন কোনো বিকল্প নাই বুলি এজেন্সীয়ে জনাইছে। তদুপৰি প্ৰবল বানপানীৰ ফলত দেশখনৰ ১৭ হাজাৰ লোকক নিৰাপদ স্থানলৈ নিয়া হৈছে আৰু প্ৰায় দুই সহস্ৰাধিক অট্টালিকা সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। ইয়াৰ বাহিৰেও পানী জমা হোৱাৰ বাবে দেশখনৰ ৮ হাজাৰ হেক্টৰ ভূমিৰ কৃষিশস্য নষ্ট হৈছে। উল্লেখ্য যে নিজৰ দীৰ্ঘদূৰত্বৰ উপকূল ৰেখাৰ বাবে ভিয়েটনামে প্ৰায়ে এনেধৰণৰ বিনাশকাৰী ধুমুহা আৰু বানপানীৰ সন্মুখীন হৈ আহিছে আৰু এনে এক ভয়াৱহ ধুমুহাত বিগত বৰ্ষত দুই শতাধিক লোক মৃত্যুমুখত পৰিছিল।



*প্ৰথম বিশ্বযুদ্ধৰ স্মৰণাৰ্থে বেলজিয়ামত অনুষ্ঠিত এক কাৰ্যসূচীত পৰম্পৰাগত 'হাকা নৃত্য' পৰিৱেশন নিউজীলেণ্ডৰ একাংশ কলা-কুশলীৰ*

## জম্মু-কাশ্মীৰৰ কৃষ্ণাঘাটিত পাক সেনাৰ উপৰ্যুপৰি গুলীবৰ্ষণ



**শ্ৰীনগৰ, ১২ অক্টোবৰ ঃ** পাকিস্তানে আজিও জম্মু-কাশ্মীৰৰ পুঞ্চস্থিত কৃষ্ণাঘাটিত পুৱা ১০.৩০ বজাৰ পৰা অস্ত্ৰবিৰতি উলংঘা কৰি ভাৰতীয় সীমালৈ লক্ষ্য কৰি উপৰ্যুপৰি গুলীচালনা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। পাক সেনাৰ এই গুলীচালনাৰ প্ৰত্যুত্তৰ ভাৰতীয় সেনাইও দিছে বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত ভাৰতীয় সেনাৰ এক সূত্ৰ অনুসৰি পাক ৰেঞ্জাৰ্ছে এল অ' চিত আজি পুৱাৰে পৰা অপ্ৰৰোচিতভাৱে গুলীচালনা কৰিছে আৰু এই গুলীচালনাত পাক সেনাই লঘু অস্ত্ৰ ব্যৱহাৰ কৰিছে। সদ্যহতে বৰ্তমানো অব্যাহত থকা গুলীচালনাত কোনো লোক হতাহত হোৱা নাই বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ৭ অক্টোবৰত পাকিস্তানী সেনাই উপত্যকাটোৰ ৰাজৌৰী জিলাৰ বাবাখৰি আৰু আন এলেকাসমূহত অপ্ৰৰোচিতভাৱে গুলীচালনা কৰিছিল। প্ৰণিধানযোগ্য যে ২০১৭ চনত পাকিস্তানৰ তৰফৰ পৰা অস্ত্ৰবিৰতি উলংঘা কৰি ভাৰতীয় সীমালৈ লক্ষ্য কৰি গুলীচালনাৰ ঘটনা অতি দ্ৰুত গতিৰে বৃদ্ধি হৈছে। এক সূত্ৰ অনুসৰি চলিত বৰ্ষৰ ৩০ ছেপ্টেম্বৰ পৰ্যন্ত পাকিস্তানে ৬০০বাৰ অস্ত্ৰবিৰতি উলংঘা কৰিছে আৰু বিগত ১০ বছৰৰ তুলনাত এই সংখ্যা আটাইতকৈ বেছি। ভাৰতৰ গৃহ মন্ত্ৰালয়ৰ পৰা এই বিষয়ে সদৰী কৰি কোৱা হৈছে যে এনেদৰে পাকিস্তানে অস্ত্ৰবিৰতি উলংঘা কৰি চলোৱা গুলীচালনাত আঠজন নাগৰিক আৰু নিৰাপত্তা বাহিনীৰ ১৬জন জোৱান ছহিদ হৈছে। ইয়াৰ পূৰ্বে বিগত বুধবাৰে বান্দিপুৰাত লস্কৰ-ই-তৈবাৰ সন্ত্ৰাসবাদীৰ সৈতে ভাৰতীয় নিৰাপত্তা বাহিনীৰ তুমুল সংঘৰ্ষ হৈছিল আৰু উক্ত সংঘৰ্ষত দুজন সন্ত্ৰাসবাদী নিহত হৈছিল। অৱশ্যে ভাৰতীয় বায়ুসেনাৰ দুজন জোৱানেও এই সংঘৰ্ষত প্ৰাণ হেৰুৱাবলগীয়া হৈছিল।

## ছিৰিয়াত আৰক্ষীৰ মুখ্যালয়ৰ সমীপত আত্মঘাতী আক্ৰমণ



**দামাস্ক, ১২ অক্টোবৰ ঃ** ছিৰিয়াৰ ৰাজধানী দামাস্কত থকা আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সমীপত তিনিজন আত্মঘাতী বোমাৰুৱে নিজকে বিস্ফোৰক পদাৰ্থৰে উৰুৱাই দিয়াৰ ফলত তেওঁলোককে ধৰি মুঠ পাঁচজন লোক নিহত হৈছে। বিগত এটা মাহৰ ভিতৰত ৰাজধানী চহৰখনত এয়া দ্বিতীয়টো সন্ত্ৰাসবাদী আক্ৰমণ। অৱশ্যে এই যুদ্ধজৰ্জৰ দেশখনত ৰাজধানী চহৰখন হিংসাত্মক ঘটনাৰ পৰা বাচি আছিল। দেশখনৰ গৃহ মন্ত্ৰালয়ে এক বিজ্ঞপ্তিত জনায় যে মধ্য দামাস্কৰ খালিদ বিন আল-ৱালিদ ৰাজপথত দুজন আত্মঘাতী বোমাৰুৱে নিজকে আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত বিস্ফোৰক পদাৰ্থৰে উৰুৱাই দিয়ে। বিজ্ঞপ্তিত কোৱা হৈছে— আত্মঘাতী সন্ত্ৰাসবাদী দুজনে আৰক্ষীৰ মুখ্য কাৰ্যালয়ত প্ৰৱেশ কৰা আৰু নিজৰ লক্ষ্যত উপনীত হোৱাৰ পূৰ্বেই নিজকে বিস্ফোৰক পদাৰ্থৰে উৰুৱাই দিবলৈ বাধ্য হয়। সূত্ৰৰ মতে আৰক্ষীয়ে উক্ত ভৱনটোৰ পিছফালে অৱস্থান লৈ থকা তৃতীয়জন আক্ৰমণকাৰীক ঘেৰি ধৰে আৰু উক্ত আক্ৰমণকাৰী জনেও নিজক বোমাৰে উৰুৱাই দিয়ে। এই ঘটনাত আক্ৰমণকাৰী কেইজনৰ বাহিৰেও আন দুজন লোক নিহত হোৱাৰ বিপৰীতে আন চাৰিজন লোক আহত হৈছে বুলি সূত্ৰটোৱে জানিবলৈ দিছে।

## ভাৰতৰ দৃষ্টিৰে চি পি ই চিক নাচাবলৈ আমেৰিকাক আহ্বান পাক প্ৰশাসনৰ



**ইছলামাবাদ, ১২ অক্টোবৰ ঃ** পাকিস্তানৰ গৃহমন্ত্ৰী এহছান ইকবালে আমেৰিকাক জনাইছে যে যাতে ৱাশ্বিংটন মহলে ভাৰতৰ দৃষ্টিৰে চীন-পাক অৰ্থনৈতিক কৰিড'ৰ (চি পি ই চি)ক নাচায়। চি পি ই চিৰ বিৰুদ্ধে ভাৰতে ভিত্তিহীন প্ৰচাৰ চলাইছে বুলি পাক প্ৰধানমন্ত্ৰী শ্বাহিদ খাকান আব্বাছীয়ে এক অভিযোগ উত্থাপন কৰাৰ পিছতেই পাকিস্তানৰ গৃহমন্ত্ৰীগৰাকীৰ এই মন্তব্য পোহৰলৈ আহিছে। ইয়াৰ পূৰ্বে আমেৰিকাৰ প্ৰতিৰক্ষা সচিব জেমছ মেটিছে জনাইছিল যে ৱান বেল্ট ৱান ৰোড আঁচনি এক বিবাদিত অঞ্চলৰ মাজেৰে গৈছে আৰু ইয়াৰ বাবে শান্তি স্থাপনৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে। তদুপৰি মেটিছে জনাইছিল যে সমগ্ৰ বিশ্বত এনেধৰণৰ কেইবাটাও ৱান বেল্ট ৱান ৰোড আছে আৰু সেয়েহে কোনো দেশে একপক্ষীয়ভাৱে এনেধৰণৰ ৱান বেল্ট ৱান ৰোডত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিব নোৱাৰে। পাক গৃহমন্ত্ৰীগৰাকীয়ে ৱাশ্বিংটনক আহ্বান জনাইছে যাতে তেওঁলোকে আন দেশ আৰু আন বিষয়সমূহৰ ওপৰত তৰ্কাতৰ্কি কৰাৰ পৰিৱৰ্তে ইছলামাবাদৰ সৈতে পোনপটীয়াভাৱে এই সন্দৰ্ভত আলোচনা কৰে। চি পি ই চিক লৈ পাক গৃহমন্ত্ৰীগৰাকীয়ে জনাইছে যে এই আঁচনি কোনো বিশেষ ৰাষ্ট্ৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ নহয়। বৰং আৰ্থিক বিকাশৰ বাবেহে এই আঁচনি লোৱা হৈছে।

## ভ্ৰমণৰ সময়ত ভিডিঅ' বনোৱাৰ মূল্য ভৰিলে প্ৰাণ বিসৰ্জনেৰে



**ৰিয়াধ, ১২ অক্টোবৰ ঃ** সম্প্ৰতি আজিৰ যুগত জনপ্ৰিয় হোৱাৰ বাবে ছ'চিয়েল মিডিয়া এক অন্যতম মাধ্যম হৈ পৰিছে। কিন্তু ছ'চিয়েল মিডিয়াৰ জৰিয়তে মানুহৰ মাজত জনপ্ৰিয় হোৱাৰ চেষ্টা চলোৱাই কেতিয়াবা বৃহৎ সংকটৰ সন্মুখতো পৰিবলগীয়া হয়। এনে এক ঘটনাত গাড়ীৰে ভ্ৰমণ কৰি থকা দুজন লোকে ভিডিঅ' বনোৱাৰ বাবে নিজৰ প্ৰাণ দি মূল্য ভৰিবলগীয়া হৈছে। এই ঘটনা ছৌদি আৰবৰ। ছৌদি আৰবত দুজন ব্যক্তিৰ এজনে গাড়ী চলাই থকাৰ সময়ত দ্বিতীয়জনে নিজৰ ম'বাইলেৰে ভিডিঅ' বনোৱাৰ চেষ্টা চলোৱাৰ সময়ত এক পথ দুৰ্ঘটনাত দুয়োজন ব্যক্তি নিহত হয়। দুয়োগৰাকী ব্যক্তিয়ে ভিডিঅ' ফুটেজ বনোৱাৰ সময়ত পাহৰি গৈছিল যে তেওঁলোক এটা ৰাষ্ট্ৰীয় ঘাইপথেৰে ভ্ৰমণ কৰি আছে। উক্ত ভিডিঅ' বনোৱাৰ কিছু সময়ৰ পিছতেই হঠাতে তেওঁলোকৰ গাড়ীখন সন্মুখেৰে অহা এখন গাড়ীত প্ৰচণ্ড জোৰে খুন্দা মৰাত দুয়োগৰাকী ব্যক্তি নিহত হয়। ইতিমধ্যে আৰক্ষীয়ে এই ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও বৰ্তমানো দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত কোনো তথ্য লাভ কৰা নাই বুলি সূত্ৰত প্ৰকাশ।

## নাছাৰ বিজ্ঞানীয়ে আৱিষ্কাৰ কৰিলে পৃথিৱীৰে সাদৃশ্য থকা বস্তু

**ৱাশ্বিংটন, ১২ অক্টোবৰ ঃ** সৌৰজগতৰ অন্যতম ৰহস্যময় মংগল গ্ৰহত নাছাৰ বিজ্ঞানীসকলে পৃথিৱীৰ লগত সাদৃশ্য থকা বস্তু আৱিষ্কাৰ কৰিছে। নাছাই প্ৰেৰণ কৰা মহাকাশ যানে উক্ত গ্ৰহৰ এটা



বিশেষ স্থানৰ ফটো প্ৰেৰণ কৰিছে, যিখন ফটোত পৃথিৱীৰে সাদৃশ্য থকা বালিৰ কণা প্ৰত্যক্ষ কৰা হৈছে। এই সন্দৰ্ভত নাছাৰ গৱেষকসকলে জনাইছে যে মংগল গ্ৰহৰ দক্ষিণ দিশে এটা গোলাকাৰ আকৃতিৰ বস্তু প্ৰত্যক্ষ কৰা হৈছে আৰু উক্ত বস্তুটো বালিৰ কণা বুলি অনুমান কৰা হৈছে।

## পুনৰ সুষমা স্বৰাজৰ মানৱীয়তাৰ নিদৰ্শন

### পাক মহিলাক চিকিৎসা ভিছা

**নতুন দিল্লী, ১২ অক্টোবৰ ঃ** দেশৰ বিদেশমন্ত্ৰী সুষমা স্বৰাজে পুনৰ এবাৰ মানৱীয়তাৰ নিদৰ্শন দাঙি ধৰি চিকিৎসাৰ বাবে পাকিস্তানৰ এগৰাকী মহিলাক ভিছা প্ৰদানৰ অনুমতি দিছে। তেওঁ এই সন্দৰ্ভত জনায় যে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে চিকিৎসাৰ বাবে ভাৰতলৈ আহিব বিচৰা এগৰাকী পাকিস্তানী মহিলাক ভিছা প্ৰদান কৰিব। ইয়াৰ পূৰ্বে উক্ত মহিলাগৰাকীৰ স্বামীয়ে বিদেশমন্ত্ৰী সুষমা স্বৰাজক চিকিৎসা ভিছাৰ বাবে অনুৰোধ কৰিছিল। ইয়াৰ পিছতে সুষমা স্বৰাজে উক্ত পাক মহিলাগৰাকীৰ ফটো টুইটাৰত আপলোড কৰি জনায় যে উপযুক্ত চিকিৎসাৰ বাবে ভাৰত চৰকাৰে এগৰাকী পাক মহিলাক ভাৰতলৈ অহাৰ ভিছা প্ৰদান কৰিব। উল্লেখ্য যে ইয়াৰ পূৰ্বে বিদেশমন্ত্ৰীগৰাকীয়ে এগৰাকী ৰোগাক্ৰান্ত পাক নাগৰিকক অংগ সংৰোপণ আৰু এটি তিনি বছৰীয়া পাক শিশুক ভাৰতত চিকিৎসা গ্ৰহণ কৰাৰ বাবে ভিছা প্ৰদান কৰিছিল।



## সন্ত্ৰাসবাদী হাফিজ ছৈয়দক পাক নিৰ্বাচন আয়োগৰ মোক্ষম আঘাত



**ইছলামাবাদ, ১২ অক্টোবৰ ঃ** পাকিস্তানৰ নিৰ্বাচন আয়োগে মুম্বাই আক্ৰমণৰ মাষ্টাৰমাইণ্ড হাফিজ ছৈয়দক এক মোক্ষম আঘাত দিছে। এইক্ষেত্ৰত দেশখনৰ নিৰ্বাচন আয়োগে হাফিজ ছৈয়দৰ নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন জামাত-উদ-দাৱাৰ লগত সম্পৰ্ক থকা মিল্লি মুছলিম লীগক ৰাজনৈতিক দল হিচাপে পঞ্জীয়নভুক্ত কৰাৰ আবেদন খাৰিজ কৰি দিছে। উল্লেখ্য যে দেশখনৰ গৃহ মন্ত্ৰালয়ে সন্ত্ৰাসবাদী সংগঠনৰ সৈতে হাফিজ ছৈয়দৰ থকা সম্পৰ্কৰ বাবে আপত্তি কৰিছিল। ইয়াৰ বিপৰীতে মিল্লি মুছলিম লীগে এটা ৰাজনৈতিক দল হিচাপে মান্যতা লাভ কৰাৰ বাবে দেশখনৰ নিৰ্বাচন আয়োগত পঞ্জীয়নৰ বাবে আবেদন কৰিছিল। যাতে তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বাবে এই মঞ্চখন ব্যৱহাৰ কৰিব পাৰে। আয়োগে শুনানিৰ পিছত আবেদন খাৰিজ কৰি দিয়ে আৰু দেশখনৰ গৃহ মন্ত্ৰালয়ৰ পৰা আপত্তিবিহীন প্ৰমাণ-পত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে দেশখনৰ গৃহ মন্ত্ৰালয়ে দেশখনৰ নিৰ্বাচন আয়োগলৈ এখন পত্ৰ লিখি নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠনৰ লগত মিল্লি মুছলিম লীগৰ সম্পৰ্ক আছে বুলি অভিযোগ কৰিছিল। ইয়াৰ বিপৰীতে জামাত-উদ-দাৱাৰ মুৰব্বী হাফিজ ছৈয়দ আৰু তেওঁৰ চাৰিজন সহযোগীক বিগত জানুৱাৰীৰ পৰাই গৃহবন্দী কৰি ৰখা হৈছে। পাকিস্তানৰ মিডিয়া অনুসৰি দেশখনৰ গৃহ সচিবে সন্ত্ৰাসবাদী হাফিজ ছৈয়দৰ গৃহবন্দিত্বৰ ম্যাদ বৃদ্ধিৰ বাবে আদালতত প্ৰয়োজনীয় কাগজ-পাতি দাখিল কৰিবলৈ সক্ষম হোৱা নাই।

## ব্ৰাজিলৰ প্ৰাক্তন ৰাষ্ট্ৰপতিৰ সম্পত্তি বাজেয়াপ্তৰ নিৰ্দেশ



**চাওপাওলো, ১২ অক্টোবৰ ঃ** ব্ৰাজিলৰ এখন আদালতে দেশখনৰ চৰকাৰী তেল কোম্পানী 'পেট্ৰ'বাছ'ৰ প্ৰায় ৫৮ কোটি ডলাৰ লোকচান হোৱাৰ বিষয়টোত দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডিলমা ৰচেফৰ সম্পত্তি বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিছে। টেক্সাছৰ পাচাডেনাত এটা তেল কোম্পানী ক্ৰয় কৰাৰ পিছত দেশখনৰ তেল কোম্পানী পেট্ৰ'বাছ এই লোকচানৰ সন্মুখীন হৈছিল। তদুপৰি পেট্ৰ'বাছৰ প্ৰাক্তন মুৰব্বী আৰু নিৰ্দেশক মণ্ডলীৰ তিনিজন সদস্যৰ সম্পত্তিও বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই সন্দৰ্ভত আদালতখনৰ ন্যায়াধীশ ভিটাল ডো ৰেগাই জনাইছে যে দুৰ্নীতিক গোপনে ৰখাৰ বাবে পৰিকল্পিতভাৱে এই কেলেংকাৰী সংঘটিত কৰা হৈছিল। উল্লেখ্য যে ২০০৬ চনত উক্ত তেল কোম্পানীটো ক্ৰয় কৰাৰ সময়ত ডিলমা ৰচেফ ব'ৰ্ডৰ অধ্যক্ষৰ দায়িত্বতো আছিল। ডিলমা ৰচেফে এক বিজ্ঞপ্তিত জনাইছে যে তেওঁ এই দুৰ্নীতিত জড়িত থকাৰ কোনো প্ৰমাণ নাই আৰু আদালতৰ সিদ্ধান্তৰ বিৰুদ্ধে আবেদন কৰিব। উল্লেখ্য যে বিত্তীয় নিয়ম উলংঘা কৰাৰ বাবে বিগত বৰ্ষত ডিলমা ৰচেফৰ বিৰুদ্ধে মহাভিযোগ উত্থাপন হৈছিল আৰু ইয়াৰ বাবে তেওঁক দেশখনৰ ৰাষ্ট্ৰপতি পদৰ পৰা আঁতৰাবলৈ বাধ্য হৈছিল।

## বি এম চিৰ উপ-নিৰ্বাচনত বিজেপিৰ জয়

**মুম্বাই, ১২ অক্টোবৰ ঃ** বৃহৎ মুম্বাই মহানগৰপালিকা, অৰ্থাৎ বি এম চিৰ ভান্দোপত অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীয়ে আজি শিৱসেনাৰ প্ৰাৰ্থীক ৪,৭৯২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰিছে। ইয়াৰ লগে লগে মুম্বাই পৌৰ নিগমত দুয়োটা দলৰ প্ৰতিনিধিৰ সংখ্যাত ব্যৱধান আৰু হ্ৰাস পাইছে। এই সন্দৰ্ভত বি এম চিৰ এজন বিষয়াই জনাইছে যে বিজেপি প্ৰাৰ্থী



জাগৃতি পেটেলে ১১,১২৯ টা ভোট লাভ কৰাৰ বিপৰীতে শিৱসেনাৰ প্ৰাৰ্থী মীনাক্ষী পাটিলে ৬,৩৩৭টা ভোট লাভ কৰে। উল্লেখ্য যে বিগত ২৫ এপ্ৰিলত কংগ্ৰেছৰ পাৰ্ষদ প্ৰমীলা পাটিলৰ মৃত্যু হোৱাৰ পিছত এই উপ-নিৰ্বাচন জৰুৰী হৈ পৰিছিল। এই জয়েৰে ২২৭ জনীয়া সদস্যৰ বি এম চিত বিজেপিৰ প্ৰতিনিধিৰ সংখ্যা ৮২লৈ বৃদ্ধি পোৱাৰ বিপৰীতে শিৱসেনাৰ প্ৰতিনিধিৰ সংখ্যা ৮৪তে সীমাবদ্ধ আছে।



*উত্তৰ-পশ্চিম জাপানৰ মিয়াজাকি-কাগোছিমা সীমান্তত থকা এটা আগ্নেয়গিৰি উদ্‌গিৰণ হোৱাৰ মুহূৰ্ত*

## কেটেলোনিয়াৰ স্বায়ত্ততা বৰ্খাস্তৰ ভাবুকি স্পেইনৰ



**মাদ্ৰিদ, ১২ অক্টোবৰ ঃ** কেটেলোনিয়াৰ স্বাধীনতাৰ বিষয়টোক লৈ অব্যাহত থকা বাক্-বিতণ্ডাৰ মাজতে স্পেইনে ভাবুকি দিছে যে যদি কেটেলোনিয়াই এখন স্বাধীন দেশ গঠন কৰাৰ বাবে স্পেইনৰ পৰা পৃথক হোৱাৰ বিষয়টো অব্যাহত ৰাখে, তেনেহ'লে তেওঁলোকৰ স্বায়ত্ততা নিলম্বিত কৰা হ'ব। এক জৰুৰীকালীন মন্ত্ৰীমণ্ডলৰ বৈঠকত স্পেইনৰ প্ৰধানমন্ত্ৰী মাৰিয়ানো ৰাজইয়ে জনায় যে তেওঁলোকৰ চৰকাৰখনে সকলো বিকল্পৰ সন্দৰ্ভত বিচাৰ-বিবেচনা কৰিছে। উল্লেখ্য যে অলপতে কেটেলোনিয়াৰ নেতাসকলে স্পেইনৰ পৰা পৃথক হৈ এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰাৰ বাবে প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতা লাভ কৰিছে বুলি জনাইছিল। অৱশ্যে সদ্যহতে কেটেলোনিয়াৰ নেতাসকলে দেশখনক স্বাধীন বুলি ঘোষণা কৰাৰ পৰা বিৰত আছে। এই ঘোষণাৰ কিছু ঘন্টা পিছতে স্পেইন চৰকাৰৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছিল। বৈঠকত স্পেইনৰ প্ৰধানমন্ত্ৰীয়ে জনায় যে উক্ত অঞ্চলটোৰ স্বাধীনতাত বাধা দিবলৈ তেওঁলোকৰ চৰকাৰে প্ৰয়োজনীয় যিকোনো পদক্ষেপেই ল'ব। উল্লেখ্য যে কেটেলোনিয়া বিবাদে স্পেইনক এক বৃহৎ ৰাজনৈতিক সংকটৰ মুখলৈ ঠেলি দিছে। ইয়াৰ পূৰ্বে কেটেলোনিয়াৰ ৰাষ্ট্ৰপতি কাৰ্লছ পিউগমণ্টে মঙলবাৰে ঘোষণা কৰিছিল যে চলিত মাহত জনমত সংগ্ৰহৰ পিছত কেটেলোনিয়াক এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত তেওঁ স্বীকাৰ কৰিছে। কেটেলোনিয়াৰ ৰাষ্ট্ৰপতিয়ে এই ঘোষণা কৰাৰ পিছতেই স্পেইন চৰকাৰে এখন জৰুৰীকালীন বৈঠক অনুষ্ঠিত কৰিছিল।